**অসম বিধান সভা**
**তৰাবিহীন প্ৰশ্ন নং – ২৫৬**
**উত্তৰ দিয়াৰ তাৰিখ – ১৩/০৭/২০২৬**

**বিষয়ঃ জেংৰাইমুখ ক্ৰীড়া প্ৰকল্পৰ নিৰ্মাণ কাৰ্য্যৰ সম্পৰ্কে ।**

শ্ৰীভূৱন গামঃ

মাননীয় ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) জেংৰাইমুখত নিৰ্মাণ হৈ থকা ক্ৰীড়া প্ৰকল্প (Signature Project) ৰ বাবে প্ৰস্তুত কৰা প্ৰাক্-কলন (Revised Estimate) ৰ অনুমোদন হৈছেনে ?

(খ) যদি হৈছে, কেতিয়াৰ পৰা কাম আৰম্ভ হ'ব আৰু কিমান দিনৰ ভিতৰত প্ৰকল্পটোৰ নিৰ্মাণ কাৰ্য্য সম্পূৰ্ণ হৈ উঠিব ? জনাব।

মাননীয় ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী **শ্ৰীযুত বিশ্বজিৎ দৈমাৰী** মহোদয়ে উত্তৰ দিবঃ

(ক) অসম চৰকাৰৰ লোকনিৰ্মাণ বিভাগৰ পৰা প্ৰাপ্ত তথ্য অনুসৰি, জেংৰাইমুখত নিৰ্মাণ হৈ থকা ক্ৰীড়া প্ৰকল্পটোৰ অতিৰিক্ত কামৰ বাবে প্ৰস্তুত কৰা প্ৰাক্-কলনটি (Revised Estimate) বৰ্ত্তমান চৰকাৰৰ বিবেচনাধীন হৈ আছে। সেয়ে, প্ৰাক্-কলনটি এতিয়ালৈ চৰকাৰৰ অনুমোদন পোৱা নাই।

(খ) লোকনিৰ্মাণ বিভাগৰ পৰা প্ৰাপ্ত তথ্য অনুসৰি, প্ৰাক্-কলনটিৰ (Revised Estimate) অনুমোদন পোৱাৰ পাছত প্ৰকল্পটোৰ নিৰ্মাণ কাৰ্য আৰম্ভ কৰিব পৰা যাব, আৰু উক্ত কাম সম্পূৰ্ণ কৰাৰ বাবে অতিকমেও ছয় মাহৰ প্ৰয়োজন হ'ব।

যিহেতু, ক্ৰীড়া আন্তঃগাঁঠনি নিৰ্মাণ আৰু উন্নয়নৰ সৈতে জড়িত সমূহ কাম-কাজ লোকনিৰ্মাণ বিভাগলৈ হস্তান্তৰ কৰা হৈছে, সেয়ে, আগন্তুক দিনত এই ক্ষেত্ৰত কিবা প্ৰস্তাৱ গ্ৰহণ কৰা হ'লে তাৰ তথ্য লোকনিৰ্মাণ বিভাগত উপলভ্য হ'ব।

*************